# প্রথম অধ্যায়

# প্ৰথম অধ্যায়

## ১.১. জয়ৰামকুচি অঞ্চলৰ ভৌগোলিক পৰিচয় ঃ

ভৌগোলিক অৱস্থিতি চাবলৈ গলে জয়ৰামকুচি অঞ্চল ২৬.১৫৫৫৫০৩° উত্তৰ অক্ষাংশ আৰু ৯০.৬৩৭৭২৯২৯° পূৱ দ্ৰাঘিমাংশৰ ভিতৰৰ অন্তৰ্গত অঞ্চল। এই ভূখণ্ড সমতল ভূমিৰে আৱৰা। পাহাৰ-পৰ্বত আদিৰ অৱস্থিতি লেখত লবলগীয়াকৈ দৃষ্টিগোচৰ নহয়। সৰু-সুৰা টিলা আছে যদিও সেয়া পাহাৰ বুলি ক'ব নোৱাৰি। যদিও জয়ৰামকুচি অঞ্চলৰ পশ্চিম প্ৰান্তত অৱস্থিত চৈবাৰী গাওঁৰ পশ্চিমাংশত অৱস্থিত নাতিউচ্চ 'ডামপাল' নামৰ পাহাৰখনেই একমাত্ৰ উল্লেখযোগ্য পাহাৰ। এসময়ত পাহাৰখনত বহু আপুৰগীয়া শাল, চেগুণ, গমাৰী আদি গছ পোৱা গৈছিল লগতে বনৰীয়া জীৱজন্তুৰো বসতিস্থল আছিল; কিন্তু বৰ্তমান গছ-গছনি ধ্বংস আৰু বেদখলৰ কবলত পৰি পূৰ্বৰ প্ৰাকৃতিক প্ৰাচুৰ্য নাইকিয়া হৈ পৰিছে। কিন্তু অঞ্চলটো সমভূমি হোৱাৰ উপৰি এই ভূখণ্ড সাৰুৱা যাৰ ফলত খেতিৰ বাবে উপযোগী। এই অঞ্চলত সাধাৰণতে ধান, মৰাপাট আৰু মাকৈ, মাটিমাহ আদিৰ খেতি ভাল হয়। বৰ্তমান সেই অঞ্চলবোৰৰ কিছুমান ওখ ঠাইবোৰত ৰবৰ খেতি গঢ়ি উঠিছে।

### ১.১.১ বতৰ আৰু জলবায়ু ঃ

জয়ৰামকুচি অঞ্চলৰ জলবায়ু দক্ষিণ পশ্চিম মৌচুমী বতাহ আৰু উত্তৰপূৱ মৌচুমী বতাহৰ দ্বাৰা ঘাইকৈ প্ৰভাৱিত। জহকালত এই অঞ্চলৰ বতৰ উষ্ম আৰু নাতিশীতোষ্ণ দুয়োটাই দেখিবলৈ পোৱা যায়। শীতকালত তাপমাত্ৰা সামগ্ৰিকভাৱে ১৭" ছেলছিয়াছলৈকে নামে কেতিয়াবা সৰ্বনিম্ন তাপ মাত্ৰ ৯° বা ১০° ছেলছিয়াছলৈকে নামে। জানুৱাৰী মাহটোত তুলনামূলকাভাৱে অধিক জাৰ অনুভূত হয়। ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহটো পচোৱা বলে যাৰ বাবে বতৰ সুষ্ক হৈ পৰে।

জয়ৰামকুচি অঞ্চলটোত কেইবাটাও বিলৰ অৱস্থিতি আছে। উল্লেখযোগ্য বিলৰ ভিতৰত 'হাছিলাডোবা' বিল, 'ভুইচখুলি বিল, আংখাল বিল, হাপাডোবা বিল আৰু বাচাৰেণ্ডা আদি পাঁচখনকৈ বিশাল বিল আছে। এই বিলসমূহ জলজ প্ৰাণী সমূহৰ আদৰ্শ বাসস্থান হোৱাৰ উপৰিও শীতকালত বিভিন্ন দেশী-বিদেশী পৰিভ্ৰমী চৰাইচিৰিকটিৰ কলৰৱ আৰু চালে চকুৰোৱা মনোৰম প্ৰাকৃতিক সৌন্দৰ্যৰে স্বকীয় বৈশিষ্ট্য অক্ষুন্ন ৰাখিছে। বিলসমূহত বিভিন্ন ধৰণৰ মাছ-কাছৰ উপস্থিতিও দেখিবলৈ পোৱা

যায়। ৰাভাসকল যিহেতু চিকাৰপ্ৰিয় জাতি সেয়ে আগৰ দিনত ছিংগা (শিঙা), কাঢ়া ( পেপা) বজাই সকলোকে মাছলৈ আহ্বান জনাইছিল আৰু ৰাভাসকলে সদলবলে জাকৈ, পল লৈ মাছলৈ গৈছিল। এনেদৰে জাকপাতি মাছ মাৰোতে বহুতো ৰাভা লোকগীতৰ সৃষ্টি হৈছিল।

জয়ৰামকুচি অঞ্চলত নৈ উপনৈ আদি বৰ বেছি নাই। একেবাৰে সমতল ভূমি আৰু ওচৰত তেনে কোনো উল্লেখযোগ্য পাহাৰ পৰ্বত নথকাৰ কাৰণেও হয়তো এনে হ'ব পাৰে। অৱশ্যে মেঘালয়ৰ পশ্চিম গাৰো পাহাৰৰ পৰা নামি অহা 'আনজাগাৰ' নামৰ এখনি সৰু নৈখনে জয়ৰামকুচি অঞ্চলৰ চৈবাৰী গাওঁখন চুই ব্ৰহ্মপুত্ৰৰ বুকুলৈ ধাৱমান হৈছে। আন এটি উপ নৈ 'বলৰাম' নৈ মেঘালয়ৰ অভিৰামপাৰা গাওঁৰ পৰা ওলাই কুলামূৰা, গুমাই হৈ পশ্চিম উত্তৰে বৈ গৈছে। ইয়াৰ বাহিৰে আন কোনো উল্লেখযোগ্য নৈ উপনৈৰ অৱস্থিতি এই অঞ্চলত দেখিবলৈ পোৱা নাযায়। কিন্তু মেঘালয় ৰাজ্যৰ ওচৰ চুবুৰীয়া অঞ্চল হিচাপে এই অঞ্চললৈ মেঘালয়ৰ পাহাৰ পৰ্বতৰ পৰা নামি অহা এই দুয়োখন নৈ উপনৈয়ে অঞ্চলটোৰ প্ৰাকৃতিক সৌন্দৰ্য অধিক মনোমোহা কৰি তুলিছে আৰু বাৰিষাৰ ঢলে পলস পেলাই পথাৰবোৰ সাৰুৱা কৰি তুলিছে।

**১.২ মাটিকালি আৰু জনসংখ্যা ঃ**

জয়ৰামকুচি আৰু ইয়াৰ দাতিকাষৰীয়া গাওঁবোৰৰ মাটিকালি আৰু জনসংখ্যা তলত এখন তালিকাভূক্ত কৰি দেখুওৱা হ'ল-

| গাওঁ | মাটিকালি (বৰ্গ হেঃ) | পৰিয়ালৰ সংখ্যা | জনসংখ্যা |
|---|---|---|---|
| বামুনডোবা | ১৩৯.৪৪ | ১৫৫ | ৭৩৫ |
| ৰংডোবা | ২৫.৪৪ | ১৭ | ৯৪ |
| কুলামুৰা | ৪২.৫৪ | ৯৯ | ৪১৮ |
| নয়াপাৰা | ৬৮.০৩ | ৩১ | ১৩৮ |
| জাঞ্জিপাৰা | ৩৫২.২১ | ৪৭ | ২২৩ |
| জয়ৰামকুচি | ৮৭.২২ | ১০৬ | ৫৩৭ |
| কৃষ্ণপুৰ | ১৫১.৮১ | ৭৫ | ৩৭৩ |
| চৈবাৰী | ৩৭৭.১৭ | ৩৪১ | ১৭০৪ |
| নলবাৰী | ৯৩.২৬ | ৫৯ | ২৯৭ |
| মুঠ | ১৩৩৭.১২ | ৯৪১ | ৪৫১৯ |

(২০১১ চনৰ লোক পিয়লৰ আধাৰত)

ওপৰত উল্লিখিত তালিকাৰ পৰা এইটো প্ৰতিয়মান হয় যে অঞ্চলটোৰ জনবসতিৰ ঘনত্ব পাতল। সৰ্বাধিক জনসংখ্যা চৈবাৰীত ১৭০৪ জন আৰু দ্বিতীয় সৰ্বাধিক জনসংখ্যা বামুনডোবা ৭৩৫ জন, তৃতীয় সৰ্বাধিক জনসংখ্যা জয়ৰামকুচিত ৫৩৭ জন দেখিবলৈ পোৱা যায়। সেয়েহে দেখা যায় যে জনসংখ্যাৰ ঘনত্ব প্ৰতিহেক্টৰত মাত্ৰ ৩.৩৮ জন।

**১.৩ জনগাঁথনি ঃ**

জয়ৰামকুচি অঞ্চলটোত বহুকেইটা জনগোষ্ঠীয় লোকৰ উপস্থিতি দেখিবলৈ পোৱা যায়। বিশেষকৈ মায়তৰি ৰাভা জনগোষ্ঠী লোকৰ জনসংখ্যা মুঠ জনসংখ্যাৰ প্ৰায় ৫০%। ইয়াৰোপৰি যুগ যুগ ধৰি জয়ৰামকুচি অঞ্চলত মায়তৰি ৰাভাসকলৰ উপৰিও বিভিন্ন সম্প্ৰদায় যেনে- বড়ো, গাৰো, কোচ, হাজং, বৰ্মণ বা ৰাজবংশী, চংগা, বঙালী আদি জনগোষ্ঠীয় লোকৰ অৱস্থিতিও বিদ্যমান। মায়তৰি ৰাভাসকলৰ পিছতেই বড়ো আৰু গাৰোৰ জনসংখ্যা অধিক। এক মিশ্ৰিত জনগাঁথনিৰে পৰিপূৰ্ণ এই অঞ্চলটোৰ লোকসকলৰ মাজত থকা পাৰস্পৰিক সদভাৱ শলাগিবলগীয়া। প্ৰত্যেকটো জনগোষ্ঠীয়ে

নিজা নিজা কৃষ্টি সংস্কৃতি জীয়াই ৰখাৰ উপৰিও আন জনগোষ্ঠীয় কৃষ্টি সংস্কৃতিৰ প্ৰতিও সমানেই সন্মান প্ৰদৰ্শন কৰাটো উল্লেখযোগ্য বিষয়। আৰু এটা লক্ষণীয় বিষয়টো হ'ল যে প্ৰতিটো জনগোষ্ঠীয়েই প্ৰতিটো জনগোষ্ঠীৰ ভাষা কব জনাটো। উদাহৰণস্বৰূপে এজন ৰাভা লোকে নিজস্ব মাতৃভাষাৰ উপৰিও বড়ো ভাষা আৰু অন্যান্য ভাষাৰ ওপৰতো সমানেই দক্ষতা দেখুওৱাব পাৰে। ঠিক তেনেদৰে এজন বড়ো লোকেও নিজ মাতৃভাষাৰ উপৰিও ৰাভা আৰু অন্যান্য ভাষাতো সমানে পৰিপক্ক। এনে সম্প্ৰীতি উল্লেখনীয়ভাৱে বিৰল।

অঞ্চলটোত সাৰ্বজনীনভাৱে পতা যিকোনো উৎসৱ পাৰ্বনত সকলো ধৰ্ম-জাতিৰ লোকৰ সহযোগিতা অতি সাৰলিল ৰূপত দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে 'চৈবাৰী' অঞ্চলত অনুষ্ঠিত চড়ক পূজাত অতি উলহ মালহেৰে জাতি-ধৰ্ম-নিৰ্বিশেষে সকলো ৰাইজে অংশ গ্ৰহণ কৰে। এনে মিলাপ্ৰীতি আৰু সদভাৱ থকাৰ বাবেই আন্তঃজনগোষ্ঠীৰ মাজত খুব সহজতে বিয়া বাৰু আদিও হোৱা দেখা যায়। ধৰ্মৰ ক্ষেত্ৰতো সকলো জনগোষ্ঠীৰ মাজতে নিজ নিজ ধৰ্মীয় পৰম্পৰা থাকিলেও বহুতে বৈষ্ণৱ, অনুকুল, খ্ৰীষ্টিয়ান আদিৰে দীক্ষিত হৈ নাম প্ৰসংগ, কীৰ্তন আদিত একেলগে অংশ গ্ৰহণ কৰে।

**১.৪ জয়ৰামকুচি অঞ্চলৰ মায়তৰি সমাজ-সংস্কৃতিঃ**

সামাজিক প্ৰাণী হিচাপে মায়তৰি ৰাভা সকলো ব্যতিক্ৰম নহয়। মায়তৰি ৰাভাসকলৰ সমাজ ব্যৱস্থা সৰল যদিও সুদৃঢ়। জন্মৰ পৰা মৃত্যুলৈকে ৰাভাসকলো কিছুমান ৰীতি নীতি পালন কৰিব লাগে অন্যথা জৰিমনা বা সমাজচ্যুত কৰাৰ নিয়ম নথকা নহয়। সমাজখন সুশৃংখলভাৱে পৰিচালনা কৰিবৰ বাবে সমাজ বা প্ৰাথমিক স্তৰত জামাদ (দল) আছে। এই দল বা জামাদৰ উচ্চ পৰ্য্যায়ৰ আন এটি সংগঠন আছে যিয়ে সমাজখন পৰিচালনা কৰিবৰ নিমিত্তে কিছুমান বিধিলিপি তৈয়াৰ কৰি সমাজখন সু-শৃংখলাবদ্ধভাৱে থকাত সহায় কৰে। জয়ৰামকুচি অঞ্চলটোৰ সমাজখন উচ্চ পৰ্যায়ৰ সংগঠন মেছপাৰা মধ্যাঞ্চল ৰাভা সমাজৰ অন্তৰ্ভূক্ত। সেয়ে মেছপাৰা মধ্যাঞ্চলৰ বিধিলিপি অনুসৰি সমাজ পৰিচালিত হোৱা দেখা যায়। এইখিনিতে উল্লেখ কৰিব পাৰি যে, পাণ্ডুলিপিৰ বিধিনিয়ম থাকিলেও পৰিবেশ

পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি দুই এটা নিয়ম কঠোৰ বা শিঠিল কৰা অঞ্চল বিশেষে দেখা যায়। সামাজিক শৃংখলতাৰ নিমিত্তে গঠিত জয়ৰামকুচি জামাদ প্ৰায় ৫২ বছৰ অতিক্ৰম কৰিছে। এই জামাদৰ ৯ মণ্ডলি আছে। কিন্তু এসময়ত বৈষ্ণৱ ধৰ্মত দিক্ষীত হোৱা লোক আৰু শাক্ত পন্থাৰ মাজত মতবিৰোধ হৈ ৯ মণ্ডলিৰপৰা জয়ৰামকুচি গাওঁখন আৰু দাতিকাষৰীয়া গাওঁৰ তিনিটা মণ্ডলি ফালৰি কাটি আহে। বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত এটা সময়ত সম্পূৰ্ণ বৈষ্ণৱ ৰীতিনীতি আদিৰেহে ইয়াত বিবাহ আৰু শ্ৰাদ্ধ আদি অনুষ্ঠান সম্পন্ন কৰা হৈছিল। কিন্তু সময়ৰ পৰিবৰ্তন তথা যোৱা ১৯৭০-৮০ চন মানৰ পৰা নতুন প্ৰজন্মৰ মাজত জাতীয়তাবাদী সত্বাৰ উদ্ৰেক ঘটাত  পুৰণি মায়তৰি ৰীতি-নীতি প্ৰচলনৰ বাবে আহোপুৰুষাৰ্থ কৰাৰ ফলতে বৰ্তমান বৈষ্ণৱ আৰু মায়তৰি সমাজৰ ৰীতি নীতিৰে সমাজখনৰ বিভিন্ন অনুষ্ঠান যেনে-অন্নপ্ৰাসন, বিবাহ, শ্ৰাদ্ধ আদি সমাপন কৰা হয়। সামাজিক অনুষ্ঠান যেনে- বিবাহ, শ্ৰাদ্ধ, অন্নপ্ৰাসন আদিত ধৰ্মীয় ৰীতি-নীতিয়ে প্ৰভাৱিত কৰিলেও সামাজিক দণ্ডবিধি আইনৰ ক্ষেত্ৰত ধৰ্মৰ কথাটো গৌণ হৈ পৰে।

বৰ্তমান যুগ এক বিশ্বায়নৰ যুগ । এই যুগৰ লগত ফেৰ মাৰিবলৈ সকলোৰে প্ৰচেষ্টা কৰাও দেখা গৈছে। তেনে ক্ষেত্ৰত মায়তৰি সমাজখনেও পিছ পৰি ৰব লগা হোৱা নাই। তেওঁলোকও বিভিন্ন জনগোষ্ঠীৰ সমাজ-সংস্কৃতিৰ প্ৰতি অকৃত্ৰিম শ্ৰদ্ধা আৰু সন্মান প্ৰদৰ্শন কৰাৰ  লগতে নিজস্ব সমাজ-সংস্কৃতিক সুদৃঢ় তথা সুন্দৰভাৱে জীয়াই ৰাখিছে। মায়তৰি সমাজৰ তেনে সুগভীৰ দৃঢ় সংস্কৃতিৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল।

অতীতৰ পৰাই মায়তৰি সমাজত বিবাহৰ প্ৰথা কেইবা প্ৰকাৰৰ আছিল। যেনে- ক্ৰাংচিবৰি, বৰিছেকায়, বৰিবিকায়, নোক ধাংকায় ইত্যাদি। কোনো মানুহৰ জীয়েক বিয়ালৈ উপযুক্ত হ'লে আৰু দৰাপক্ষই পছন্দ কৰিলে যিকোনো প্ৰকাৰে কন্যাৰ শিৰত সেন্দুৰ দিবলৈ চেষ্টা কৰে। কন্যাজনীৰ মত নাথাকিলে তেওঁ পলাই সাৰিব পাৰে কিন্তু কিবা প্ৰকাৰে কপালত সেন্দুৰ পৰিলে বিয়াত বহিবলৈ বাধ্য হয়। অৱশ্যে পুৰণি কালৰ এনে বিবাহ প্ৰথা বৰ্তমান মায়তৰি সমাজত নাই। বৰিছেকায় বিয়াত ল'ৰা আৰু ছোৱালীৰ পচন্দ থাকিলেও কন্যাপক্ষৰ অভিভাৱকে সন্মতি নিদিলে দৰাপক্ষই সমাজৰ মানুহক লগত লৈ গৈ কন্যাপক্ষৰ অবিভাৰকক সন্মতি কৰাই বিয়াৰ দিন স্থিৰ কৰে। তেনেদৰে বৰিবিকায়

বিয়াত কন্যাক পচন্দ কৰিলে দৰাপক্ষৰ মানুহে কন্যাৰ ঘৰলৈ গৈ আনুষ্ঠানিকভাবে বিয়াৰ প্ৰস্তাব আগবঢ়ায়। দুয়ো পক্ষৰ সন্মতিক্ৰমে সেইদিনাই কন্যাৰ কপালত তেল সেন্দুৰ দি বিয়াৰ দিন স্থিৰ কৰে।

মায়তৰি ৰাভা সমাজত এটা ব্যতিক্ৰমী বিয়া হৈছে নোকধাংকায় বিয়া। এই বিয়া কোনো আনুষ্ঠানিক বিয়া নহয়। ইয়াত কোনো ছোৱালী আৰু ল'ৰাৰ মাজত যদি মত থাকে তেন্তে অভিভাৰকসকলৰ কোনো সন্মতি নোলোৱাকৈ ছোৱালীয়ে ল'ৰাৰ ঘৰলৈ গৈ বিয়াত বহে।

পূৰ্বতে জয়ৰামকুচি অঞ্চলত বিবাহ অনুষ্ঠানত চোতালতে দ'ৰা আৰু কন্যাক বহুৱাই লৈ পূজাৰিয়ে দুটা ৰঙা কুকুৰা বলি দি বিয়াখন সম্পন্ন কৰা হৈছিল। বৰ্তমান এনে পুৰণি ৰীতি-নীতিৰ পৰিবৰ্তে আধুনিক অৰ্থাৎ আৰ্য সংস্কৃতিৰ প্ৰভাৱত চাকি-বন্তি জ্বলাই বামুণৰ হতুৱাই বিবাহ কাৰ্য সম্পন্ন কৰা দেখা যায়। বিবাহ কাৰ্য্য যি নিয়মতে নহওক পিছদিনাখন সাধাৰণতে বিয়াৰ ভোজ হয়। ভোজত প্ৰথমতে কইনাজনীয়ে নিৰ্মালী হিচাপে অকন অকনকৈ ভাত সমজুৱাক দি যায়।

মায়তৰি সমাজত বৰলা-বিবাহ আৰু বিধবা বিবাহৰ ব্যৱস্থা পূৰ্বৰে পৰা বৰ্তমানলৈকে চলি আহিছে। ঠিক তেনেদৰে বিবাহ বিচ্ছেদ প্ৰথাও পূৰ্বৰে পৰাই চলি আহিছে। কোনো কাৰণত যদি পতি-পত্নীৰ মাজত মনোমালিন্য ঘটি বিচ্ছেদ হোৱাটো নিশ্চিত হৈ পৰে, তেতিয়া সমাজৰ সন্মুখত উপযুক্ত কাৰণ দৰ্শাই, কাৰণবোৰ উপযুক্ত বিবেচিত হ'লে পুৰহিতে চোতালত চাকি জ্বলাই পতী-পত্নীক উভয়ে পিঠিয়া পিঠিকৈ থিয় হবলৈ দি পিছফালে পাণ এখিলা দুয়োকে ধৰিব দি একে সময়তে টান মাৰি ফালি দি বিছিন্ন কৰি বিচ্ছেদ কাৰ্য সমাপন কৰে। মায়তৰি সমাজত তেজৰ সম্পৰ্ক থকা, একে গোত্ৰৰ মাজত বিবাহ নিষিদ্ধ। তেনেদৰে অইন জাতি বা ধৰ্মৰ ছোৱালী বা ল'ৰা, বোৱাৰী বা জোৱাই আনিলে জাতি উদ্ধাৰ কৰি কোনো গোত্ৰ বা বংশত সুমুৱাই ল'ব লাগে।

মদ মায়তৰি সমাজৰ প্ৰধান পানীয় খাদ্য। জন্ম, মৃত্যু, বিবাহ আৰু যিকোনো উৎসৱ পাৰ্বনৰ সময়ত ইয়াৰ ব্যৱহাৰৰ অপৰিহাৰ্য্যতা আছে। সমাজৰ যিকোনো উৎসৱ অনুষ্ঠানৰ পৰা ইয়াক বাদ দিব নোৱাৰে।

জন্ম সংস্কাৰৰ ক্ষেত্ৰত জয়ৰামকুচি অঞ্চলৰ আই মাতৃসকল বৰ সচেতন। সমাজত কোনো নাৰী সন্তান সম্ভৱা হ'লে স্বাভাৱিক প্ৰসৱৰ কামনা কৰি বিভিন্ন কাৰ্য সম্পন্ন কৰা দেখা যায়। সন্তান গাত

স্থিতি লোৱা বুলি জনাৰ লগে লগে তেওঁলোকে ‘বায়মাবা’ নামৰ দেৱতাক মানসা কৰে যাতে নাৰীগৰাকী সুস্থ হৈ থকাৰ লগতে সন্তানে ভালে ভালে পৃথিৱীত ভূমিস্থ হয়। প্ৰসৱ হোৱাৰ সময়ত বা পিছত হলেও সেই মানসাত কুকুৰা বা হাঁহৰ বলি দি পূজা কৰা হয়। জন্মৰ পৰা প্ৰায় দুই সপ্তাহ পিছত ঘৰ-দুৱাৰ শুচি কৰা হয়। সাধাৰণতে অন্নপ্ৰাসনৰ নামত ‘তাছি গিনকায়’ পৰ্ব ছমাহ বা সাতমাহৰ মূৰত কৰা হয়। এই পৰ্বত বিশেষভাবে জন্মৰ সময়ত সহায় সহযোগ কৰা মানুহখিনিক এসাজ ভালদৰে খুওৱাৰ আয়োজন কৰে। লগতে সেইদিনটোৰ পৰাই সন্তানটোৱে সকলোবোৰ খাদ্য বস্তু মুখত দিব বা খাব পৰা হয়। অৱশ্যে বৰ্তমান সময়ত কোনো কোনো লোকে বৰ্ণ হিন্দুৰ নিয়মাৱলীকে অনুকৰণ কৰিবলৈ ধৰিছে।

স্বাভাৱিক মৃত্যুৰ ক্ষেত্ৰত মায়তৰি ৰাভাসকলে সাধাৰণতে মৰাশৰটো দাহন কৰে। কিন্তু অস্বাভাৱিক মৃত্যু যেনে- মাৰাত্মক ৰোগ, আত্মহত্যা কৰা নাইবা গাওঁখনৰ কোনো পূজাৰ বাবে আয়োজন কৰি থকাৰ সময়ত মৃত্যু হ’লে সেই মৰাশটোক সাধাৰণতে মাটিত পুতি থয়। মৰাশ দাহন বা পেলোৱা স্থানত সৰু খেৰৰ জুপুৰি বা টিনপাতৰ ঘৰ সাজি তাত কাপোৰৰ নিচান আৰি ভজা চাউলৰ গুৰি আৰু মদ অপৰ্ণ কৰি থৈ আহে। এনেদৰে বস্তু অৰ্পন কৰাৰ সময়ত তেওঁলোকে বাওঁহাতে দিয়ে। কাৰণ তেওঁলোকে বিশ্বাস কৰে যে মৃতকে বাওঁহাতেৰে অৰ্পন কৰা বস্তুহে গ্ৰহণ কৰিব পাৰে। এটা কথা উল্লেখ কৰা ভাল যে মায়তৰি ৰাভাসকলে মৰাশটো ধুই পোখালি নতুন কাপোৰ পিন্ধাই মূৰটো পূবমুৱাকৈ শুৱাই থৈ দিয়ে। তিৰোতা হলে তেল সেন্দুৰ পিন্ধায়। শ্মশানত পূব-পশ্চিমাকৈ চিতাত তোলে আৰু পুত্ৰই চিতাখনৰ চাৰিওফালে সাতপাক ঘুৰি মুখাগ্নি কৰে।

শ্ৰাদ্ধৰ ক্ষেত্ৰতো এই অঞ্চলৰ মায়তৰি সমাজত বৰ্তমান হিন্দুধৰ্মৰ প্ৰভাৱ বাৰুকৈয়ে প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। তৎসত্বেও মায়তৰি ৰাভা সমাজত ফাৰকান্তি আৰু তৰাংকাজি নামৰ দুই প্ৰকাৰৰ শ্ৰাদ্ধক্ৰিয়াৰ প্ৰথা প্ৰচলিত হৈ আছে। আগৰ দিনত শ্ৰাদ্ধ সাতদিন সাতৰাতি লৈকে চলিছিল আৰু প্ৰত্যেকদিনাই ভোজভাত দিব লাগিছিল। এনে কাৰ্য্যত গৃহস্থই অৰ্থনৈতিকভাৱে জুৰুলা হৈ পৰে বাবে বৰ্তমান এই প্ৰথা বিলুপ্তি হবৰ উপক্ৰম হৈছে। যদিও এতিয়াও সমাজৰ কোনো বিশিষ্ট ব্যক্তি তথা অৱস্থা সম্পন্ন লোকৰ ঘৰত ফাৰকান্তি শ্ৰাদ্ধ পতা দেখা যায়। এই ফাৰকান্তি শ্ৰাদ্ধত নিয়োজিত মানুহে ঢাক, ঢোল, কাড়া, বাঁহী, দাইদি বজাই থাকে। সেই বাদ্যৰ তালে তালে উপস্থিত মহিলা সকলে মৃতকৰ

গুন বখানি ইনাই বিনাই কান্দি করুণ ৰসৰে উপস্থিত সকলোকে শোক বিহ্বল কৰি তোলে।

এই অঞ্চলৰ মায়তৰি সকল নিৰ্দ্দিষ্ট কোনো ধৰ্মত দীক্ষিত নাছিল্ল যদিও সৃষ্টিকৰ্তা যে কোনোবা আছে সেয়া বিশ্বাস কৰিছিল। সেয়ে অতীতত তেওঁলোকে প্ৰকৃতিৰ, গছ, শিল, পাহাৰ, পৰ্বত আদিকে পূজা কৰিছিল। তেওঁলোকে কোনো মূৰ্তি পূজা কৰা নাছিল। তেওঁলোকে মাটিৰ ওখ চপৰা (ধিপ), শিলাগ্ৰাম (ৰঞ্জমুক) আদিক দেৱ-দেৱীৰ জ্ঞান কৰি পূজা কৰে।

এই অঞ্চলৰ মায়তৰি সকলেও জন্মান্তৰবাদ বিশ্বাস কৰে, ঠিক তেনেদৰে আধ্যাত্মিকবাদো বিশ্বাস কৰে। জয়ৰামকুচি অঞ্চলৰ মায়তৰি ৰাভা সকলে অতীতত বায়খো পূজা কৰিছিল যদিও বৰ্তমান বায়খো পূজা বা খোক্‌ছি পূজা  এই অঞ্চলত উদ্‌যাপন কৰা নহয়। বৃটিছ শাসনৰ শেষৰ কালছোৱাত মেছপাৰা জমিদাৰ কালিন শাসনৰ কালছোৱাত ইয়াত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত বহু সংখ্যক মায়তৰি ৰাভা বৈষ্ণৱ ধৰ্মত দিক্ষীত হৈ পৰে। বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ বৰ্তমানো এই অঞ্চলত প্ৰৱল  হৈ আছে। তেনেদৰে শৈৱ আৰু আন কোনো ধৰ্মত দীক্ষিত নোহোৱা লোক এই তিনি ভাগত বিভক্ত হৈ পৰিছে। জমিদাৰৰ সময়তে স্থাপন হোৱা দৌল গোবিন্দ মন্দিৰ, চৈবাৰী গাওঁত অনুষ্ঠিত হোৱা চড়ক পূজা উল্লেখযোগ্য পূজা উৎসৱ। ইয়াৰোপৰি মা কালি মন্দিৰ, লাঙা (জাগাৰ) পূজা দেখিবলৈ পোৱা যায়।

**১.৫ জয়ৰামকুচি অঞ্চলৰ ঐতিহাসিক দিশ ঃ**

জয়ৰামকুচি কেইটিমান গাওঁৰ কেন্দ্ৰস্থল। জয়ৰামকুচি গাওঁখনৰ প্ৰাচীন নাম আছিল ‘খোকছালি’। এই গাওঁখন বা সমগ্ৰ অঞ্চলটো ডাঠ অৰণ্যৰে আবৰা আছিল। হিংস্ৰ বনৰীয়া জন্তু যেনে- বাঘ, ভালুক, গড়, হাতী আদিৰ বিচৰণথলী আছিল।

সেই কাৰণে মানুহৰ বসতি স্থাপন হোৱা নাছিল। জয়ৰামকুচি গাওঁলৈ প্ৰথমে ৰাভাসকলৰ অন্যতম প্ৰধান ঠাল মায়তৰি সকলৰ আগমন ঘটে। জয়ৰামকুচি গাওঁৰ উত্তৰ-পশ্চিম অঞ্চলত অৱস্থিত ৰংডোবা গাওঁৰ পৰা মায়তৰি ৰাভাসকলৰ এই গাওঁখনলৈ প্ৰব্ৰজন হোৱা বুলি জয়ৰামকুচি গাওঁৰ এগৰাকী সমাজ সচেতক আৰু জেষ্ঠ্য ব্যক্তি শ্ৰী ধৰ্মেশ্বৰ ৰাভাই এই তথ্য আগবঢ়ায়। তেখেতৰ পৰা জানিব পৰা মতে প্ৰায় তিনিশ বছৰ আগৰ সময়ছোৱাত এই গাওঁলৈ মায়তৰি ৰাভা সকলৰ আগমন হয়। কিন্তু তাৰ আগতে এই অঞ্চলত বঙালি সম্প্ৰদায়ৰ লোকৰহে বসতি আছিল বুলি পূৰ্বৰ জেষ্ঠ্যসকলৰ মুখৰ পৰা

জানিব পাৰি বুলি তেখেত ব্যক্ত কৰে। ইয়াৰ কাৰণ হ'ল এই অঞ্চলত মাটি খান্দোতে মাটিৰ ৩০ ফুট তলত অতি পুৰণি মাটিৰ পাত্ৰ, পুৰণি গছৰ টুকুৰা ইত্যাদি উদ্ধাৰ হোৱাটো। হয়তো কোনো ভয়ংকৰ প্ৰাকৃতিক দুৰ্যোগ বা ভূমিকম্প আদিৰ ফলত গাওঁখন সম্পূৰ্ণৰূপে ধ্বংস হৈছিল আৰু ইয়াৰ বাসিন্দাসকল অন্য কোনো নিৰাপদ স্থানত আশ্ৰয় বিচাৰি অত ত'ত সিচৰিত হৈ পৰিছিল আৰু বহু বছৰলৈ এই অঞ্চললৈ মানুহৰ আগমন ঘটা নাছিল । ফলত অঞ্চলটো ঘন জংগলেৰে ভৰি পৰে। তিনিশ বছৰমান আগতে ৰংডোবা অঞ্চলৰ পৰা লাহে লাহে মায়তৰি ৰাভাসকলৰ প্ৰব্ৰজন ঘটে। ইয়ালৈ আহি ৰাভা সকলে তেওঁলোকৰ আৰাধ্যা দেৱী 'খোক্ছি' (বায়খো) পূজাৰ থানপাতি পূজা কৰে। খোক্ছি পূজা কৰাৰ বাবেই এসময়ত গাওঁখনৰ নাম 'খোক্ছালি' নামেৰে জনাজাত হৈ পৰে। আন এক জনশ্ৰুতি অনুসৰি বহু বছৰ আগত গাওঁখনলৈ ৰামভক্ত (বিহাৰী সম্প্ৰদায়ৰ) এজনৰ আগমন ঘটে। ৰামভক্ত জনে নিতৌ জয়ৰাম, জয়ৰাম, ধ্বনিৰে জপ কৰি আছিল। তেখেতে এনে জপ কৰি থকা কাৰ্যৰ পৰাই এসময়ত জয়ৰাম 〉জয়ৰামকুচি হোৱা বুলি জনশ্ৰুতি পোৱা যায়। ৰাম অৰ্থাৎ ৰামৰ খুছি- কুচি য়ে শান্তিৰ স্থান বুলি জেষ্ঠ্য লোকৰ মুখৰ পৰা জানিব পৰা গৈছে বুলি তেখেতে কয়। অঞ্চলটোত মায়তৰি ৰাভাসকলৰ লগতে বড়োসকলৰো আগমন ঘটে আৰু বৰ্তমানেও এই অঞ্চলত বড়ো সম্প্ৰদায়ৰ লোকসকলৰ বসতি দৃষ্টিগোচৰ হয়।

জয়ৰামকুচি অঞ্চলটো মেছপাৰা জমিদাৰীৰ অধীনত আছিল। মেছপাৰাৰ প্ৰথম জমিদাৰজনৰ সম্পৰ্কত বিতৰ্ক আছে। কিছু পণ্ডিতৰ মতে থানা কমল লোচনেই আছিল মেছপাৰাৰ প্ৰথমজন জমিদাৰ। আনহাতে 'বুকাননৰ মতে মেছপাৰাৰ প্ৰথম জমিদাৰ ভগদত্ত দাস চৌধুৰী।'[১] প্ৰথম জমিদাৰ সম্পৰ্কত থকা মতবাদ যিয়ে নহওঁক জয়ৰামকুচি অঞ্চলটো মেছপাৰাৰ জমিদাৰ মহীৰামৰ পুত্ৰ পৃথ্বীৰাম চৌধুৰীৰ অধিনত আছিল বুলি অনুমান কৰা হয়। মেছপাৰাৰ জমিদাৰ 'মহীৰাম (১৭৯০-১৮২২)ৰ দিনত গাৰো সকলৰ সৈতে প্ৰায়েই যুদ্ধ হৈছিল। বিশেষকৈ গাৰো পাহাৰৰ নামনিৰ জয়ৰামকুচি, নামাখামাৰি, উপৰ খামাৰি আদিত।'[২] ইয়াৰ পৰাই স্পষ্ট হয় যে, জয়ৰামকুচি অঞ্চলো মেছপাৰা জমিদাৰৰ অধিনত আছিল। মেছপাৰাৰ জমিদাৰ মহীৰামৰ পুত্ৰ পৃথ্বীৰামে তেখেতৰ অধীনতে কোচবিহাৰৰ আৰ্হিৰে এখন নগৰ গঢ়ি তুলি নিজৰ নাম (লক্ষীনাৰায়ণ) অনুসৰি লক্ষীপুৰ নগৰ স্থাপন কৰি ইয়াত নতুনকৈ ৰাজধানী পাতে।

পৃথ্বীৰামে লক্ষীপুৰৰ লগতে সমগ্ৰ অঞ্চলটোক সুন্দৰকৈ গঢ় দিয়াৰ বাবে যথেষ্ট চেষ্টা কৰিছিল। নগৰখনৰ ৰাস্তাৰ দাঁতিত থকা প্ৰকাণ্ড প্ৰকাণ্ড গছবোৰে এতিয়াও পুৰণি গৌৰৱময় ইতিহাসৰ কথাকে সোঁৱৰায়। মেছপাৰাত খেতিৰ বাবে উপযোগী মাটিৰ পৰিমাণ কম আছিল। 'মুঠ ৫০০ বৰ্গমাইলৰ ভিতৰত আবাদযোগ্য ভূমিৰ পৰিমাণ আছিল মাত্ৰ ৬৪ বৰ্গ মাইল।'[৩] গোটেই অঞ্চলটো ঘন জংঘল আৰু পতিত ভূমিৰে প্ৰায় ৪৮৫ বৰ্গ মাইল আগুৰি আছিল। সেই সময়ত মেছপাৰাৰ চাৰিসীমা আছিল পূবে নজৰানা, গাৰোপাহাৰ, হাব্ৰাঘাট আৰু মেছপাৰাৰ কিছু অংশ,পশ্চিমে কালুমালোপাৰা, উত্তৰে মেছপাৰা পৰগনাৰ এক অংশ আৰু কালুমালোপাৰা আৰু মেছপাৰাৰ সন্ধিস্থান জিঞ্জিৰাম নদী, দক্ষিণে গাৰোপাহাৰ আৰু কালুমালোপাৰা। কাৰণ জয়ৰামকুচিৰ দক্ষিণে মেঘালয় ৰাজ্যৰ গাৰোপাহাৰ আৰু উত্তৰে কিছুদূৰত লক্ষীপুৰ নগৰখন আৰু জিঞ্জিৰাম নদীখন বৈ গৈছে। লক্ষীপুৰ নগৰৰ পশ্চিমাংশত মুছলমান লোকসকল আৰু নগৰৰ দক্ষিণে জনজাতীয় লোকসকলে বাস কৰিছিল। মুছলমান সকল মূলত কৃষিজীৱি ৰায়ত শ্ৰেণীৰ, আনহাতে জনজাতীয় লোকসকল পৰম্পৰাগত কৃষিকৰ্ম আৰু হাতীৰ তদাৰকীকৰণো কৰিছিল। এইজন জমিদাৰীৰ সময়তে সেই সময়ত লক্ষীপুৰৰ পৰা জয়ৰামকুচি হৈ টিক্ৰিকিল্লা লৈকে পথ নিৰ্মাণ কৰা হৈছিল যিটো বৰ্তমান গড়কাপ্তানি পথ হিচাপে বৰ্তি আছে। অঞ্চলটোৰ মাজেৰে স্থাপিত হোৱা এই গড়কাপ্তানি পথটোৱে বৰ্তমান কিছুপৰিমাণে হ'লেও অসম আৰু মেঘালয় ৰাজ্যৰ মাজত যোগাযোগৰ সু-ব্যৱস্থা প্ৰদান কৰিছে।

মেছপাৰা জমিদাৰীৰ শাসনৰ শেষৰফালে বংগ আৰু অন্যান্য ৰাজ্যৰ পৰাও জয়ৰামকুচি অঞ্চললৈ বিভিন্নজনৰ প্ৰব্ৰজন ঘটে। তেওঁলোকৰ বেছিভাগেই বিভিন্ন কৰ্মত নিয়োজিত হ'বলৈকে ইয়ালৈ আগমন ঘটিছিল। জমিদাৰী শাসনৰ এনে সময়তে জয়ৰামকুচি গাওঁখনলৈ ৰামবিলাস নামৰ সাধক এজনৰ আগমন ঘটিছিল। মেছপাৰাৰ জমিদাৰ লক্ষীনাৰায়ণৰ অনুপ্ৰেৰণাতে সেই সাধকপুৰুষে জয়ৰামকুচি অঞ্চলত এটা শিৱ লিঙ্গ স্থাপন কৰে আৰু ওচৰতে এখন দৌল গোবিন্দ মন্দিৰ স্থাপন কৰে। বৰ্তমান সময়তো এই মন্দিৰখনে জাকত জিলিকা হৈ আছে। এই ঐতিহ্যময় মন্দিৰটোৰ বয়স প্ৰায় ডেৰশ বছৰৰো অধিক হ'ব বুলি অঞ্চলটোৰ জ্যেষ্ঠ ব্যক্তি শ্ৰী ধৰ্মেশ্বৰ ৰাভাই আমাক জানিবলৈ দিয়ে। ঠিক তেনেদৰে এই জয়ৰামকুচি

অঞ্চলতে এখন ঐতিহ্যমণ্ডিত চড়কপূজা উদ্‌যাপন কৰা হয়। আজিৰ পৰা প্ৰায় ডেৰশ-দুইশ বছৰৰ পূৰ্বতে চৈবাৰীত চড়ক পূজা আৰম্ভ কৰা হৈছিল। বৰ্তমানেও এই পূজা চলি আছে আৰু ইয়ালৈ অগনন ভক্তপ্ৰাণৰ সমাগম হোৱা দেখিবলৈ পোৱা যায়।

**পাদটীকাঃ**

১। মীৰা দেৱী, মেচপাৰা জমিদাৰী ঃ নগেন্দ্ৰ নাৰায়ণ চৌধুৰী আৰু 'আৱাহন'ৰ গুৰি কথা, পৃঃ ৫

২। পূৰ্বোক্ত, পৃঃ ১১

৩। পূৰ্বোক্ত, পৃঃ ১৫

**************